# অসম আদিত্য

২২ ভাদ, ১৯৪৫ শক ■ শনিবাৰ, ৯ ছেপ্টেম্বৰ, ২০২৩ ■ Asom Aditya, Dibrugarh, Saturday, September 9, 2023 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী


## কানৈত অনৌপচাৰিক সংস্কৃত শিক্ষণ কেন্দ্ৰৰ এবছৰীয়া পাঠ্যক্ৰমৰ উদ্বোধনী অনুষ্ঠান

ডিব্ৰুগড়, ৮ ছেপ্টেম্বৰ ঃ ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত কেন্দ্ৰীয় সংস্কৃত বিশ্ববিদ্যালয়, নতুন দিল্লীৰ অধীনৰ অনৌপচাৰিক সংস্কৃত শিক্ষণ কেন্দ্ৰৰ ২০২৩-২৪ বৰ্ষৰ এবছৰীয়া পাঠ্যক্ৰমৰ আজি শুভ উদ্বোধন কৰা হয়। সংস্কৃত বিভাগৰ অধ্যাপিকা ড০ চয়নিকা গোস্বামীয়ে আঁত ধৰা অনুষ্ঠানটোত কেন্দ্ৰটোৰ ২০২৩-২৪ বৰ্ষৰ এবছৰীয়া পাঠ্যক্ৰম উদ্বোধন কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই সংস্কৃত ভাষা পৃথিৱীৰ আটাইতকৈ চহকী ভাষা বুলি উল্লেখ কৰি এই সংস্কৃত ভাষাৰ মহত্ব প্ৰতিজন ভাৰতীয়ই উপলব্ধি কৰিব লাগে বুলি অৱগত কৰে। ভাষণত অধ্যক্ষ ড০ শইকীয়াই চন্দ্ৰযান-৩, আদিত্য এল-১ৰ কথা উল্লেখ কৰি সংস্কৃত ভাষা এটা সঠিক ভাষা বুলি মত প্ৰকাশ কৰি সংস্কৃত ভাষাটোক সকলোৱে গুৰুত্বসহকাৰে ল'ব লাগে বুলি কয়। তেওঁ কয়—পৃথিৱীত সংস্কৃত ভাষাত যিমান শব্দ আছে আন কোনো ভাষাতেই ইমান শব্দ নাই। সংস্কৃত ভাষাত ১০২.৭৮ বিলিয়ন শব্দ আছে আৰু ইয়াৰ বিপৰীতে ইংৰাজী ভাষাত আছে মাত্ৰ ১,৭১,৪৭৬ টা শব্দ। তাৰে ভিতৰত ৪৭,১৫৬ টা শব্দ অচল। তেওঁ কানৈ মহাবিদ্যালয়ত থকা অনৌপচাৰিক সংস্কৃত শিক্ষণ কেন্দ্ৰৰ কাম-কাজক শলাগ লোৱাৰ লগতে শিক্ষিকা পূৰ্ণিমা পাটৰক ধন্যবাদ জ্ঞাপন কৰে আৰু ভৱিষ্যতে কেন্দ্ৰটোৱে এনেধৰণে মহাবিদ্যালয়খনত কাম কৰাৰ আশা প্ৰকাশ কৰে। অনুষ্ঠানটোত কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ নৰেন্দ্ৰ মাহেলা, শৈক্ষিক সমন্বয়ক ড০ অনন্ত কুমাৰ দত্ত, অসমীয়া বিভাগৰ অধ্যাপক ড০ মৃদুল শৰ্মাকে ধৰি সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপিকা কল্যাণী দাস, অধ্যাপিকা বিনী শইকীয়াৰ লগতে ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উল্লেখ্য যে আজিৰ এই অনুষ্ঠানতে ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অনৌপচাৰিক সংস্কৃত শিক্ষণ কেন্দ্ৰ আৰু সংস্কৃত বিভাগৰ উদ্যোগত মহাবিদ্যালয়ৰ ছাত্ৰী নিৱাসত অনুষ্ঠিত হৈ যোৱা দহদিনীয়া সম্ভাষণ শিবিৰৰ সমাপন সমাৰোহো অনুষ্ঠিত হয় আৰু এই শিবিৰত অংশগ্ৰহণকাৰীসকলক প্ৰমাণ-পত্ৰ বিতৰণ কৰা হয়। শেষত শলাগ জ্ঞাপন কৰে ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অনৌপচাৰিক সংস্কৃত শিক্ষণ কেন্দ্ৰৰ শিক্ষিকা পূৰ্ণিমা পাটৰে।

